**A BRIEF NOTE ON MONTHWISE MAJOR EVENTS FOR LAST THREE YEARS OF KOLKATA ASSAMESE CULTURAL ASSOCIATION (KACA)**

## YEAR : 2020

### January:

- ✓ "**Kolkata Bhogali Bihu**" was organised on 12th Jan'20. Several hundred Assamese people of Kolkata together enjoyed the "Uruka Bhoj" with Assamese traditional food, traditional games, songs & dance.

### February :

- ✓ **Annual sports day of KACA** was organised on 23rd Feb'20. This is mainly organised to bring together & create networking of the Assamese students studying at Kolkata with senior mentors from Assamese community in Kolkata, under the aegis of KACA.

### March :

- ✓ An event called " **Time amidst Nature**" was organised on 1st March'20: This is an event of "Bird Watching cum Nature camp" for Assamese children in Kolkata to promote / keep the Eco-awareness of budding generation who miss the Greenery & touch of soil of Assam.
- ✓ Also, KACA foundation day was celebrated same day evening.

## YEAR : 2019

### January:

- ✓ 5th Janaury: Kolkata Assamese cultural Association, along with "Axom Xahitya Xobha" organised a daylong event for special centenary celebration "Axom Xahitya Xobha".
- ✓ 13th January: "Kolkata Bhogali bihu" was celebrated with traditional Food, sports & music.

### February:

- ✓ On 3rd February, "Closer to Nature" event: An workshop of "Bird Watching cum Nature camp" for Assamese children in Kolkata to promote / keep the Eco-awareness of budding generation who miss the Greenery & touch of soil of Assam.
- ✓ 24TH February: Annual sports day of KACA for Assamese students in Kolkata.

### March:

- ✓ 1st March: KACA foundation day celebrated.
- ✓ 4th March to 8th March: KACA student wing was supported to participate in NE student's " sports & cultural meet".

### May:

- ✓ On 5th May, Kolkata Rongali Bihu Utsav was celebrated starting with " Mukoli Bihu" where Assamese people from across Kolkata & neighbouring towns participated to showcase Assamese culture in the "City of Joy".
- ✓ In the event, "Assam Toursim" was promoted through movie & other promotional activities.

### June:

- ✓ KACA Bihu team " Ramdhenu" performed 28th June, on invitation to showcase Assamese culture at "ABP tourist spot". Also, KACA volunteers extended assistance to Assam Tourism team in the event.

**August:**

- ✓ In our own humble effort, volunteers from KACA extended solidarity & distributed some relief material on 4th August amongst the Flood effected people of Belguri village, Monoha; Morigaon district.

**September:**

- 8th September : KACA celebrated birth anniversary of cultural legend Dr Bhupen Hazarika with following events:
  - Bhupendra Sangeet Workshop in the morning.
  - A Cultural evening called " Era Bator Xur" in remembrance of the legend.

- 27th September : KACA organised **Geet aru Kobitar Exondhya** : An evening of Assamese songs & Assamese Poetry recitation; followed by discussion on Assamese language. Event held in association with "Axom Xahitya Xobha".

**November:**

An event was organised to pay tribute to late Dr Bhupen Hazarika on his death anniversary. People from all walks of life & all community joined in the event.

**YEAR: 2018**

**January :**

- ✓ "Kolkata Bhogali Bihu" was celebrated with traditional food, dishes & music. Many non Assamese people / community also joined in the event.

**February:**

- ✓ 10th February : On invitation from "Biswa Bharati University", Shantiniketan; a team from KACA joined in the first National Seminar on **" Srimanta Sankardev & his times"** ( organised by Biswa Bharati University ). KACA's President was felicitated in the function & was requested to give a talk on **" Srimanta Sankardeva "** in the valedictory function.
- ✓ 18th February : KACA was invited by Rotary Club Kolkata to showcase "Assamese culture " in "Aussie-Indo Cricket Fest".
- ✓ 25th February : Annual sports day of KACA for Assamese students in Kolkata.

**March:**

- ✓ 3rd to 7th March : KACA students wing participated in NE students Fest.

**May:**

- ✓ 13th May : "Kolkata Rongali Bihu" was celebrated with great enthusiasm, showcasing the Assamese festival in Kolkata, marking our footprint in the city's cultural scenario.

**June:**

- ✓ 15th June : KACA Bihu team & volunteers joined the event with Assam Tourism at ABP tourist spot.

**August:**

- ✓ 22nd August : On invitation from IRCTC ( East Zone ) KACA volunteers extended support in distributing food material to the Special Train evacuating Assamese people from Kerala.

**September:**

- ✓ 2nd Sept: "Manuhe Manuhor Babe": Workshop on Bhupendra Sangeet ( open to all )
- ✓ 8th Sept : "Era Bator Xur" : Cultural evening on the occasion of birth Anniversary of legend Dr Bhupen Hazarika.

**November :**

- ✓ 5th November: An event to pay tribute to Dr Bhupen Hazarika on death anniversary.

**December:**

- ✓ 4th December: Showcasing Assamese culture on Invitation of IRCTC on their Annual Day.
- ✓ 23rd December: Socio-Cultural exchange excursion of KACA family members

**YEAR : 2017**

**January** : 14th : "Kolkata Bhogali Bihu" was celebrated amongst Kolkata based Assamese people.

**February** : 19th : KACA annual sports meet was held , mostly to bring together Assamese students at Kolkata under KACA mentorship.

**March** : 4th : KACA student's wing was supported to participate in NE student's sports & cultural meet.

**May** :

- ✓ **6th :** Kolkata Rongali Bihu was celebrated in the most prestigious venue at Kolkata : The Rabindra Sadan. For the first time, a landmark event "**Mukoli Bihu"** was held in the courtyard of Rabindra Sadan (in Kolkata ) where local Bengali people / other communities also participated. Wide spread media coverage was given to the event.
- ✓ **28th** : KACA Bihu team was invited to showcase Bihu Dance of Assam in an All India Cultural event organised by Rotary Club at Kolkata.

**September :**

- ➢ A three day event , named **"Xomonnay Divas"** was organised in association with **Bhupen Hazarika Cultural trust** to celebrate 91st Birth Anniversary of the legend.
    - o **8th Sept:** Day long program with " Antaranga Aalap" and Cultural evening / lamp lighting at Dr Bhupen Hazarika's erstwhile Kolkata residence. A photo exhibition of Life & works of Dr Bhupen Hazarika ( 3 day exhibition ) at "Gaganendra Pradarshanshala".
    - o **9th Sept:** Workshop on Bhupendra Sangeet in the morning at Assam House. Award ceremony & Cultural evening with distinguished artists from Assam, Bengal & Bangladesh.
    - o **10th Sept:** Closing ceremony of Photo exhibition & other events.

**December :**

- ✓ **3rd Dec**: **Soroiboti** : An event of socio-cultural meet of Assamese people of Kolkata was held.
- ✓ **5th Dec**: Felicitation ceremony of Kalaratna Sri Ratna Ojah dev by People of Kolkata , organised by KACA.

**Other Miscellaneous activities:**

**A. Socio-literary:**

◆ KACA organised 150th Birth centenary of **Lakhsminath Bezbaruah** through cultural and literary activity celebration at Kolkata.

◆Has been extending support in promotion of Assamese films, Assamese theatre & launch of Assamese dancers in Kolkata.

**B. Socio-Administrative:**

- Assisting TADM in to reach out to Kolkata based Assamese community (most of which are KACA members/associates) as and when required.
- Blood donation & other help extended to needy people coming to Kolkata in case of medical emergency
- Mentoring & Guidance to new students coming to Kolkata for studies/ excursions etc

**C. Socio-Cultural:**

Also, upon invitation from respective organisations, KACA showcased Assamese culture at:

- Govt. of Assam pavilion at Handloom Mela in Kolkata.
- Lok Utsab, Sundarbaorganised by Govt of West Bengal
- Prasar Bharati / Akashbani Bengal event at Rabindro Bhaban, Nadia district.
- OFB, Govt. of India at Kolkata
- Several renowned Durga Puja celebration events in Kolkata.

Kolkata Rongali Bihu 2019

# KOLKATA RONGALI BIHU 2019
# EVENT GLIMPSES

KOLKATA ASSAMESE CULTURAL ASSOCIATION

কলকাতা অসমীয়া সাংস্কৃতিক সংস্থা
















# Kolkata Rongali Bihu 2018









Main artist Simanta Sekhar performing






Open Air Bihu in front of Madhusudhan Manch







Open Air Bihu in front of Madhusudan Manch





Padmshree Purna Das Baoul being Felicitated



A section of Invited guests



KACA bihu team "Ramdhenu" performing



KACA bihu team "Ramdhenu" performing

## KOLKATA ASSAMESE CULTURAL ASSOCIATION'S FEW ACTIVITY DETAILS - 2019





5th Janaury' 2019, Kolkata Assamese cultural Association, along with "Axom Xahitya Xobha" organiseda daylong event for special centenary celebration "Axom Xahitya Xobha".

13th January: Kolkata Bhogalibihu 2019 was celebrated with traditional Food, sports & music.










On 3rd February, "Closer to Nature" event: An workshop of "Bird Watching cum Nature camp" for Assamese children in Kolkata to promote / keep the Eco-awareness of budding generation who miss the Greenery & touch of soil of Assam.




KACA Bihu team " Ramdhenu" performed 28th June,on invitation to showcase Assamese culture at "ABP tourist spot". Also, KACA volunteers extended assistance to Assam Tourism team in the event.











In our own humble effort, volunteers from KACA extended solidarity & distributed some relief material on 4th August amongst the Flood effected people of Belguri village, Monoha; Morigaon district






8thSeptember :KACA celebrated birth anniversary of cultural legend Dr Bhupen Hazarika with following events:

1. Bhupendra Sangeet workshop in the morning called "Manuhe Manuhar Babe".

2. A Cultural evening called " Era Bator Xur" in remembrance of the legend.



27thSeptember :KACA organised Geet aru Kobitar Exondhya : An evening of Assamese songs & Assamese Poetry recitation; followed by discussion on Assamese language. Event held in association with "Axom Xahitya Xobha".

# ঢোল-পেঁপাৰ মাতেৰে মুখৰ ৰবীন্দ্ৰ সদন

কলকাতা, ৮ মে' ঃ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ যুগোপযোগী উত্তৰণৰ সোণসেৰীয়া বাট দেখুওৱা, অসমীয়া সংস্কৃতিৰ অমৰ সৃষ্টিৰ সাক্ষী কলকাতা মহানগৰীৰ চৌদিশ পুনৰবাৰ গুঞ্জৰিত হৈ উঠিল ঢোল-পেঁপা-গগনাৰ শব্দত।



কলকাতাবাসী অসমীয়াই হুগলীৰ তীৰত পাৰভঙা আবেগেৰে যোৱা ৬ মে'ত 'কলকাতা অসমীয়া সাংস্কৃতিক সন্থা'ৰ উদ্যোগত অসম আৰু বংগৰ সহস্ৰাধিক দৰ্শক তথা বৃহৎসংখ্যক সংবাদকৰ্মীৰ উপস্থিতিত কলকাতাৰ এ জে চি বসু পথস্থিত 'ৰবীন্দ্ৰ সদন'ত উদযাপন কৰিলে 'কলকাতা ৰঙালী বিহু ২০১৭'। ৰবীন্দ্ৰ সদনৰ বাকৰিত সংস্থাৰ সদস্য-সদস্যাসকলে মুকলি বিহু পৰিৱেশন কৰি অনুষ্ঠানটিলৈ আমন্ত্ৰিত সন্মানীয় অতিথি তথা দৰ্শকসকলক আদৰণি জনাই অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। অসম চৰকাৰৰ পৰ্যটন বিভাগৰ সচিব জয়ন্তমল্ল বৰুৱা, মোহময়ী অভিনেত্ৰী জয়া শীল, কলকাতাস্থিত অসম ভৱনৰ সঞ্চালক দেবাশিস চৌধুৰী, জনপ্ৰিয় কবিঅ'গ্ৰাফাৰ সুদৰ্শন চক্ৰৱৰ্তী, অনিল কুমাৰ ভৰালী, মহাপ্ৰবন্ধক, ক'ল ইণ্ডিয়া লিমিটেড, আনন্দ আগৰৱালা, সংস্থাৰ পৃষ্ঠপোষক, দীপকানন্দ ভৰালী, সভাপতি অতুল কুমাৰ ভৰালী আদি বিশিষ্ট ব্যক্তিসকলে মঞ্চ উদ্বোধন কৰি অনুষ্ঠানটোৰ লগত সংগতি ৰাখি বাতুল বেজবৰুৱাৰ দ্বাৰা সম্পাদিত সংস্থাৰ বাৰ্ষিক আলোচনী 'সৃষ্টি' উন্মোচন কৰে। সংস্থাৰ দ্বাৰা অতিথিসকলক গছপুলি উপহাৰ দি এক অভিনৱ পৰম্পৰাৰে স্বাগতম জনোৱা হয়। নীলাভ্ৰপ্ৰতিম বৰাই আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ দ্বাৰা ঢোল, পেঁপা, বাঁহী আৰু অন্যান্য বাদ্যযন্ত্ৰৰ সংমিশ্ৰণেৰে পৰিৱেশন কৰা 'সুৰ সমলয়'ত সমূহ দৰ্শক মোহাচ্ছন্ন হৈ পৰে। তাৰ পিচত পদ্মিনী ডেন্স একাডেমীৰ শিল্পীসকলৰ দ্বাৰা 'নমামি ব্ৰহ্মপুত্ৰ'ৰ শীৰ্ষক গীতটোৰে মহাবাহু ব্ৰহ্মপুত্ৰলৈ জনোৱা শ্ৰদ্ধাৰ্ঘত অসমৰ ভিন ভিন জনজাতিৰ লোক-সংস্কৃতি উদ্ভাসিত হয়। তদুপৰি নিজৰ প্ৰতিভাৰে বলিউডত থিতাপি ল'বলৈ সক্ষম হোৱা অসমৰ শিল্পী প্ৰীতিশা কলিতা, কাশ্মীৰী কটকী চৌধুৰী, পবিতোষ দত্তৰ কণ্ঠত অন্তৰস্পৰ্শী গীতসমূহে প্ৰাণ পাই উঠে। তাৰ পাচত সংস্থাৰ সদস্য-সদস্যাসকলৰ দ্বাৰা পৰিৱেশিত 'ষঁচৰি'ত অনুষ্ঠানটোৰ গাম্ভীৰ্য দুগুণে চৰে। পৰৱৰ্তী সময়ত অনুষ্ঠানটোলৈ আমন্ত্ৰিত অসমীয়া সংগীত জগতৰ অন্যতম জনপ্ৰিয় শিল্পী সদানন্দ গগৈৰ সংগীতানুষ্ঠানে সমগ্ৰ পৰিৱেশটি সোণত সুৰগা চৰায়। এই অনুষ্ঠানতে মনীষা হাজৰিকা প্ৰমুখ্যে অসম আৰু বংগৰ ভালেকেইগৰাকী সাহিত্যিক আৰু সাংস্কৃতিক কৰ্মীক সংস্থাৰ দ্বাৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত সমগ্ৰ ভাৰতবৰ্ষত জনপ্ৰিয় কবিঅ'গ্ৰাফাৰ সুদৰ্শন চক্ৰৱৰ্তীয়ে অহা ২৮ মে'ত কলকাতাৰ ছায়েন্স চিটিৰ প্ৰেক্ষাগৃহত বিশ্ব বিশ্ৰুত অভিনেতা অমিতাভ বচ্চনে অংশ ল'বলগা 'হৃদয়া' নামৰ এক বিশেষ অনুষ্ঠানত বিহু প্ৰদৰ্শন কৰিবলৈ সংস্থাৰ বিহু দলটোক আমন্ত্ৰণ জনায়। সদৌ শেষত সভাপতিৰ অভিভাষণত সংস্থাৰ সভাপতি অতুল কুমাৰ ভৰালীয়ে অনুষ্ঠানটোত উপস্থিত ৰাইজক কৃতজ্ঞতা জনাই অহা ৮ আৰু ৯ ছেপ্টেম্বৰত কলকাতাত দুদিনীয়া কাৰ্যসূচীৰে 'ভূপেন হাজৰিকা ন্যাস'ৰ সহযোগত অসম ৰত্ন ড° ভূপেন হাজৰিকাৰ ৯১ সংখ্যক জয়ন্তী উদযাপনৰ কথা ঘোষণা কৰি স্বগুণেৰে মহীয়ান অসমীয়া সংস্কৃতিক বিশ্ববাসীৰ আগত চিনাকি কৰাবলৈ সমগ্ৰ অসমবাসীক পাৰ্যমানে চেষ্টা কৰিবলৈ আহ্বান জনায়।


24x7 Helpline: 0171-3055222






# কলকাতাৰ অসম ভৱনত ‘গীত আৰু কবিতাৰ এসন্ধ্যা’

# অসমীয়া ভাষাক বিশ্ব দৰবাৰলৈ নিয়াৰ সংকল্প

গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ দুৰ্গোৎসৱৰ ব্যস্ততাত উখল-মাখল হৈ থকাৰ সময়তে কলকাতা মহানগৰীত আহিন, গীত আৰু কবিতাৰ বৰ্ণিল সমাহাৰেৰে শাৰদীয় বতৰত কলকাতা শাখা সাহিত্য সভা আৰু কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত তথা সদৌ দহ পিঠিলৈ

# কলকাতাত ‘চিৰ চেনেহী মোৰ ভাষা জননী’ ধ্বনিৰে গীত-কবিতাত মুখৰিত শাৰদী এসন্ধ্যা

**ষ্টাফ ৰিপৰ্টাৰ, ২৮ ছেপ্টেম্বৰ ঃ** আগন্তুক দুৰ্গোৎসৱৰ ব্যস্ততাত উখল-মাখল হৈ থকাৰ সময়তে কলকাতা মহানগৰীত আহিন, গীত আৰু কবিতাৰ বৰ্ণিল সমাহাৰেৰে শাৰদীয় বতৰত ‘কলকাতা শাখা সাহিত্য সভা আৰু ‘কলকাতা’ অসমীয়া সাংস্কৃতিক সংস্থা’-ৰ উদ্যোগত তথা সদৌ অসম লেখিকা সমাৰোহ সমিতি, কলকাতা শাখা’-ৰ সহযোগত যোৱা ২৭ ছেপ্টেম্বৰত অসম ভৱন, কলকাতাৰ প্ৰাংগণত অনুষ্ঠিত হয় ‘গীত আৰু কবিতাৰ এসন্ধ্যা’। ‘চিৰ চেনেহী মোৰ ভাষা জননী’ আদৰণি সমবেত সংগীতৰে আৰম্ভণি হোৱা ‘গীত আৰু কবিতাৰ এসন্ধ্যা’ অনুষ্ঠানটিৰ আঁত ধৰে ‘কলকাতা শাখা সাহিত্য সভা’ৰ সম্পাদক অনুজ গগৈয়ে। শতাধিক সাহিত্য আৰু সাংস্কৃতিক অনুৰাগীৰ উপস্থিতিত দীপকানন্দ ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটিত বিশিষ্ট অনুবাদ সাহিত্যিক বাসুদেৱ দাসৰ লগতে উপস্থিত থাকে অসম-বংগৰ বহুকেইজন সন্মানীয় লেখক-সাহিত্যিক, শিল্পী তথা সাংবাদিক। অসম সাহিত্য সভাৰ বিদেশ আৰু আন্তঃৰাজ্যিক মৈত্ৰী-বন্ধন উপ-সমিতিৰ আহ্বায়ক তথা বিশিষ্ট লেখক নুৰুল চুলতানে সঞ্চালনা কৰা কবিতা অনুষ্ঠানটিত কলকাতাৰ লগতে অসমৰ বিশিষ্ট লেখিকা তথা কবি পাৰিজাত বৰুৱা, হেমা চৌধুৰী গগৈ, পলিমা চেতিয়া বসুমতাৰী, লেখক দিলোৱাৰ হুছেইন আদি উপস্থিত থাকি কবিতা পৰিৱেশন কৰে। অনুষ্ঠানটিত বংগৰ বিশিষ্ট শিল্পী মিথুন ধৰে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰাৰ লগতে অসম-বংগৰ আন বহুকেইজন শিল্পীৰ কণ্ঠত গীত পৰিৱেশনৰে জীপাল হৈ পৰে কলকাতা মহানগৰীৰ শাৰদীয় সন্ধ্যাটি। এই অনুষ্ঠানতে অসম ভৱন, কলকাতাৰ বাণিজ্যিক সঞ্চালক অসীম ভট্টাচাৰ্যই কলকাতা শাখা সাহিত্য সভাৰ সন্মানীয় সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। অনুষ্ঠানটিত অসমীয়া ভাষাৰ উত্তৰণ, বিশুদ্ধ ৰূপত উচ্চাৰণত সংস্কাৰ, ইণ্টাৰনেটত ইউনিক'ডত প্ৰতিষ্ঠাৰ সংগ্ৰাম ইত্যাদি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰা হয়। উক্ত অনুষ্ঠানতে সদৌ অসম লেখিকা সমাৰোহ সমিতি, কলকাতা শাখাৰ সভাপেত্ৰী ৰবী ভৰদ্বাজে কেন্দ্ৰীয় বিদ্যালয়ত অসমীয়া বিষয় শিক্ষণত বিশেষ গুৰুত্ব প্ৰদান, জাতীয় বিহুকেইটাত প্ৰবাসী অসমীয়া কৰ্মচাৰীক ছুটী প্ৰদান আদি গুৰুত্বপূৰ্ণ বিষয় দুটমান অসম সাহিত্য সভাৰ উপস্থিত বিষয়ববীয়াৰ জৰিয়তে সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিবলৈ অনুৰোধ জনায়। অনাগত সময়ত অসমীয়া ভাষাক সগৌৰৱে বিশ্ববাসীৰ সন্মুখত আগুৱাই লৈ যোৱাৰ চেষ্টাৰ প্ৰতিশ্ৰুতিৰে অনুষ্ঠানত উপস্থিত সকলোৱে সমস্বৰে সংকল্প গ্ৰহণ কৰে। শেষত, অনুষ্ঠানটিত সহায়-সহযোগিতা আগবঢ়াই উপস্থিত থাকি অনুষ্ঠানটি সফল কৰা সমূহ সুধীবৃন্দক কলকাতা শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক শুভম গোস্বামীয়ে কৃতজ্ঞতা জ্ঞাপন কৰি শলাগৰ শৰাই আগবঢ়ায়।

## বিদেশী ন্যায়া
## নিযুক্ত সদস

গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ ৰাজ্যৰ নৱ
লৈ আজিৰে পৰা দুদিনীয়া কৰ্মশালা এখ
প্ৰশাসনীয় কৰ্মচাৰী মহাবিদ্যালয় প্ৰাংগণ
বিভাগে জুডিচিয়েল একাডেমীৰ সহযোগত
ভাষণত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এক্টিং

11:13 AM :ıııl 4G 56

https://www.niyomiyabarta.org/1( 4

# ‘এৰাবাটৰ সুৰ’ ঃ সুধাকণ্ঠৰ কালজয়ী গীতেৰে উজলিল কলকাতা মহানগৰী



**কলকাতা, ৯ ছেপ্টেম্বৰ ঃ** সাহিত্য-সংস্কৃতিৰ পীঠভূমি কলকাতা মহানগৰীত ‘কলকাতা অসমীয়া সাংস্কৃতিক সংস্থা’ৰ উদ্যোগত বিগত বৰ্ষবোৰৰ দৰে যোৱা ৮ ছেপ্টেম্বৰত কলকাতাৰ বাছেল ষ্ট্ৰীটস্থিত অসম ভৱন প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে ‘এৰাবাটৰ সুৰ’ শীৰ্ষক এক বৰ্ণাঢ্য ব্যতিক্ৰমী অনুষ্ঠানেৰে সংগীতেৰে লুইতৰ পৰা মিছিছিপি ভল্গালৈকে ভাতৃত্ববোধৰ চানেকিৰে বিশ্বজয় কৰা বিশ্ববিশ্ৰুত শিল্পী ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ৯৩সংখ্যক জন্ম দিৱস উদযাপন কৰা হয়। অনুষ্ঠানটো আৰম্ভ কৰা হয় সুধাকণ্ঠৰ কালৰ গতিত হেৰাই যাব খোজা গীতৰ কৰ্মশালাৰে। শতাধিক ১৫ পৃষ্ঠাত

Continue reading.......

## ‘এৰাবাটৰ সুৰ’ ঃ সুধাকণ্ঠৰ কালজয়ী গীতেৰে উজলিল

সংগীতপ্ৰেমীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাখনৰ প্ৰশিক্ষক আছিল ভূপেন হাজৰিকাৰ একালৰ প্ৰিয় শিল্পী ডলী ঘোষ। সংস্থাই কৰ্মশালাত অংশগ্ৰহণ কৰা সকলোকে মানপত্ৰ প্ৰদান কৰে। সন্ধিয়ালৈ অনুষ্ঠানটোত অসম-বংগৰ সহস্ৰাধিক দৰ্শক, বহুকেইজন সন্মানীয় বিশিষ্ট ব্যক্তি তথা বিশিষ্ট সাংবাদিকৰ উপস্থিতিত অসম ভৱনত থকা ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত সংস্থাৰ সভাপতি দীপকানন্দ ভৰালী, মুখ্য উপদেষ্টা দেবাশিস চক্ৰবৰ্তী, উপদেষ্টা অচ্যুৎ শৰ্মা, অসম চৰকাৰৰ বাণিজ্যিক উপদেষ্টা তথা অসম ভৱনৰ সঞ্চালক অসীম ভট্টাচাৰ্য প্ৰমুখ্যে ব্যক্তিসকলে বন্তি প্ৰজ্বলন আৰু পুষ্প অৰ্পণ কৰি মূল সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰে। সংস্থাৰ সাধাৰণ সম্পাদক অনুজ গগৈয়ে অনুষ্ঠানৰ সকলো আমন্ত্ৰিত অতিথি তথা উপস্থিত দৰ্শকক আদৰণী ভাষণেৰে সম্ভাষণ জনায়। সংস্থাৰ সদস্যসকলে এটা সুন্দৰ কোৰাছ পৰিৱেশন কৰি মঞ্চ উদ্বোধন কৰে। তাৰ পিছতেই প্ৰথিতযশা শিল্পী ডলী ঘোষ, ভূপেন হাজৰিকাৰ একালৰ অন্যতম প্ৰিয় শিল্পী মিথুন ধৰ, আশীৰ্বাণী কৰ, মানস প্ৰতিম গোহাঁই, স্বপ্নীল কাশ্যপ আদি শিল্পীৰ কণ্ঠত ড° ভূপেন হাজৰিকাই সাগৰ মন্থন কৰি উলিওৱা কালজয়ী গীতসমূহে প্ৰাণ পাই উঠাৰ লগতে সমূহ দৰ্শক আপ্লুত হৈ পৰে। এই অনুষ্ঠানতে পৰিৱেশিত হোৱা উদয়জিৎ শৰ্মাৰ সুধাকণ্ঠৰ গীতৰ এটি বাবেৰহণীয়া বাঁহীবাদনে অনুষ্ঠানটোত সোণত সুৰগা চৰায়। শেষত সংস্থাৰ উপ-সভাপতি প্ৰাঞ্জল ভট্টাচাৰ্যই অনুষ্ঠানটোত উপস্থিত সমূহ দৰ্শক তথা অনুষ্ঠানটো সফলভাৱে আয়োজন কৰাত সহায় কৰা ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানক কৃতজ্ঞতা জ্ঞাপন কৰি অহা বৰ্ষত এইবাৰতকৈ বিশাল পৰিসৰত আয়োজন কৰাৰ পোষকতা কৰে। এই অনুষ্ঠানতে বংগ আৰু অসমৰ ভালেকেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

# ঢোল-পেঁপা-গগনাৰ গুম্‌গুমনিত মুখৰিত কলকাতা







Artistes performing a Bihu dance at a function organised by Kolkata Assamese Cultural Association in Kolkata on Tuesday. – UB Photos

কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত ৰঙালী বিহু

# ঢোল-পেঁপা-গগনাৰ গুমগুমনিত মুখৰ কলকাতা

# সমন্বয়ের বার্তাবাহক রঙালি বিহু



**Kolkata Rongali Bihu, Madhusudan Mancha, 2 Gariahat Road, May 13, 5 pm;** This is an Assamese cultural event coinciding with the spring



festival of Rongali Bihu. The evening will begin with a Mukoli Bihu performance followed by

# হুগলীৰ তীৰত ৰঙালী বিহুৰ পাৰভঙা উচাহ





**KOLKATA RONGALI BIHU**
**MADHUSUDAN MANCHA, 5 PM ONWARDS**
This is an Assamese cultural event coinciding with the spring festival of Assam, Rongali Bihu. The evening will begin with a Mukoli Bihu performance where everyone from young to old will join the Bihu beats followed by other cultural segments. Renowned singer Simanta Shekhar will perform live at the event. Along with this, Padma Shri Purna Das Baul will be felicitated by Kolkata Assamese Cultural Association.



News published in various News papers

বিৰুদ্ধে টিংখাঙত বিশাল গণ সমদল

ঢোল-পেঁপা-গগনাৰ গুমগুমনিত মুখৰ কলকাতা

IN SYNC WITH THE RHYTHM OF LIFE



# ঢোল-পেঁপা-গগনাৰ মাতত মুখৰিত কলকাতা মহানগৰ





কলকাতাত অসমীয়া শিল্পী সমাজে আয়োজন কৰা অনুষ্ঠানত বিহু নৃত্য পৰিবেশন

# Colours of Rongali Bihu in City of Joy






কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ
উদ্যোগত
বান সাহায্য বিতৰণ
বেলগুৰি, মনহা
মৰিগাওঁ, অসম | ৪ আগষ্ট, ২০১৯









AirAsia
Anandabazar Patrika
AirAsia
Awesome Assam
ODISHA
kerala

AM                                                                                    4G 95

জিলাব ৯ পৃষ্ঠাত চাওক  মধ্যউবিন এটা অংশ।  খবি আহিছে। ৯ পৃষ্ঠাত চাওক  সেই অনুৰোধ ৰক্ষা কৰি কাৰ্টিকে দূৰদৰ্শনৰ কমিছন প্ৰগ্ৰেমৰ ভৱিষ্যতেহে নিজৰ আৰ্থিক  ৯ পৃষ্ঠাত চাওক

# ঢোল-পেঁপা-গগনাৰ শব্দেৰে মুখৰ 'কলকাতা ৰঙালী বিহু'



**কলকাতা, ৫ মে' ঃ** সাহিত্য-সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ বংগভূমিৰ বুকুত পুনৰবাৰ অসমীয়াৰ আৰু অসমী আইৰ প্ৰাণৰ ৰঙালী বিহুৰ উছাহত, ঢোল-পেঁপা আৰু গগনাৰ সুমধুৰ শব্দৰ লহৰেৰে পুনৰ কঁপি উঠিল কলকাতা মহানগৰীৰ আকাশ-বতাহ। দহটা গৌৰবোজ্জ্বল বৰ্ষ অতিক্ৰম কৰা অসমীয়া ভাষা-সংস্কৃতিৰ অন্যতম ধ্বজাবাহক 'কলকাতা অসমীয়া সাংস্কৃতিক সংস্থা'ৰ উদ্যোগত বিগত সফল বৰ্ষবোৰৰ দৰে আজি কলকাতাৰ ঢাকুৰিয়াস্থিত 'মধুসূদন মঞ্চ'ত অনুষ্ঠিত হয় 'কলকাতা ৰঙালী বিহু-২০১৯'। বিহু তথা সাংস্কৃতিক সন্ধিয়াৰ বৰ্ণিল অনুষ্ঠানটোত উপস্থিত থাকে অসম-বংগৰ সহস্ৰ দৰ্শক, বহুকেইজন বিশিষ্ট ব্যক্তি আৰু সাংবাদিক। পোনপ্ৰথমে কলকাতা ৰঙালী বিহুৰ বাকৰিত সংস্থাৰ সদস্য-সদস্যাসকলে মুকলি বিহুৰ জৰিয়তে অনুষ্ঠানৰ সকলো আমন্ত্ৰিত অতিথি তথা উপস্থিত থকা দৰ্শকসকলক উষ্ম আদৰণি জনায়। তাৰ পিছত সংস্থাৰ সদস্যসকলে এটি সুন্দৰ লহৰি পৰিৱেশন কৰি মঞ্চ উদ্বোধন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। পল্লবী গগৈ আৰু সংস্থাৰ সাধাৰণ সম্পাদক অনুজ গগৈয়ে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানটোৰ আৰম্ভণিতে সংস্থাৰ সভাপতি দীপকানন্দ ভৰালীয়ে আদৰণী ভাষণত আমন্ত্ৰিত অতিথি তথা দৰ্শক সমাজক সম্ভাষণ জনায়। অনুষ্ঠানত সংস্থাৰ বাৰ্ষিক ত্ৰি-ভাষিক আলোচনী 'সৃষ্টি'ৰ একাদশ সংখ্যাটি উন্মোচন কৰে বিশিষ্ট সাংবাদিক তথা 'নিউজ লাইভ'ৰ পৰিচালন সম্পাদক জাবিৰ হুছেইনে। মণিপুৰীসকলৰ এটি বাৰেৰহণীয়া লোকনৃত্যই সোণত সুৱগা চৰায় অনুষ্ঠানটোত। তাৰ পিছতেই সংস্থাৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট নৃত্যশিল্পী অলকানন্দ বয়ক সম্বৰ্ধনা জ্ঞাপন কৰে। কলকাতা ৰঙালী বিহুৰ মঞ্চতেই আমন্ত্ৰিত সংগীত শিল্পী 'নৰ্থ-ইষ্ট ব্ৰীজ' ৰূপম ভূঞাই তেওঁৰ এটি চিডি এলবাম 'মানুষ খোঁজে বেৰাই' মুকলি কৰাৰ লগতে সংগীতানুষ্ঠান পৰিৱেশনৰে সমূহ দৰ্শকক আপ্লুত কৰে। সংস্থাৰ বিহু দল 'ৰামধেনু'ৱে প্ৰদৰ্শন কৰে আকৰ্ষণীয় বিহু ছঁচৰি। জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীৰ সংগীতানুষ্ঠানেও উপস্থিত সকলো দৰ্শকক সংগীতৰ সুৰত মতলীয়া কৰে। শেষত সংস্থাৰ সাধাৰণ সম্পাদক অনুজ গগৈয়ে অনুষ্ঠানটিত উপস্থিত সমূহ দৰ্শক তথা অনুষ্ঠানটি সফলভাৱে আয়োজন কৰাত সহায় কৰা ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানক কৃতজ্ঞতা জ্ঞাপন কৰি অহা বৰ্ষত এইবাৰতকৈ বিশাল পৰিসৰত আয়োজন কৰাৰ পোষকতা কৰে। এই অনুষ্ঠানতে বংগ আৰু অসমৰ ভালেকেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

# কলিকতাত ৰঙালী বিহু উদ্‌যাপন

## *ঢোল, পেঁপা, গগণাৰ লহৰত মুখৰিত মহানগৰী*

**গুৱাহাটী, ৭ মে' ঃ** সাহিত্য-সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ বংগভূমিৰ বুকুতো অসমীয়াৰ আৰু অসমী আইৰ প্ৰাণৰ ৰঙালী বিহুৰ উছাহত, ঢোল-পেঁপা আৰু গগণাৰ সুমধুৰ শব্দৰ লহৰেৰে পুনৰ কঁপি উঠিল কলকাতা মহানগৰীৰ আকাশ-বতাহ। দহটা গৌৰবোজ্জ্বল বৰ্ষ অতিক্ৰম কৰা অসমীয়া ভাষা-সংস্কৃতিৰ অন্যতম ধ্বজাবাহক কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত বিগত সফল বৰ্ষবোৰৰ দৰে যোৱা ৫ মে' দেওবাৰে কলকাতাৰ ঢাকুৰিয়াৰ 'মধুসূদন মঞ্চ'ত অনুষ্ঠিত হয় 'কলকাতা ৰঙালী বিহু ২০১৯'। বিহু তথা সাংস্কৃতিক সন্ধিয়াৰ বৰ্ণিল অনুষ্ঠানটোত উপস্থিত থাকে অসম-বংগৰ সহস্ৰাধিক দৰ্শক, বহুকেইজন বিশিষ্ট ব্যক্তি তথা সাংবাদিক। পোনপ্ৰথমে কলকাতা ৰঙালী বিহুৰ বাকৰিত সংস্থাৰ সদস্য-সদস্যাসকলে মুকলি বিহুৰ জৰিয়তে অনুষ্ঠানৰ সকলো আমন্ত্ৰিত অতিথি তথা উপস্থিত থকা দৰ্শকসকলক উষ্ম আদৰণি জনায়। তাৰপিছত সংস্থাৰ সদস্যাসকলে এটি সুন্দৰ লহৰি পৰিৱেশন কৰি মঞ্চ উদ্বোধন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। পল্লবী গগৈ আৰু সংস্থাৰ সাধাৰণ সম্পাদক অনুজ গগৈয়ে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানটোৰ আৰম্ভণিতে সংস্থাৰ সভাপতি দীপকানন্দ ভৰালীয়ে আদৰণী ভাষণত আমন্ত্ৰিত অতিথি তথা দৰ্শকসমাজক সম্ভাষণ জনায়। অনুষ্ঠানত সংস্থাৰ বাৰ্ষিক ত্ৰি-ভাষিক আলোচনী 'সৃষ্টি'ৰ একাদশ সংখ্যাটি উন্মোচন কৰে বিশিষ্ট সাংবাদিক তথা নিউজ লাইভৰ পৰিচালন সম্পাদক জাবিৰ হুছেইনে। অনুষ্ঠানৰ মাজতে প্ৰদৰ্শিত হোৱা মণিপুৰীসকলৰ এটি বাৰেৰহণীয়া লোকনৃত্যই সোণত সুৱগা চৰায়। তাৰপিছতেই সংস্থাই আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট নৃত্যশিল্পী অলকানন্দ বয়াক সম্বৰ্ধনা জ্ঞাপন কৰে। কলকাতা ৰঙালী বিহুৰ মঞ্চতেই আমন্ত্ৰিত অসমৰ বিশিষ্ট সংগীত শিল্পী 'নৰ্থ ইষ্ট ব্ৰীজ'ৰ ৰূপম ভূঞাই তেখেতৰ এটি চিডি এলবাম 'মানুষ খোঁজে বেড়াই' মুকলি কৰাৰ লগতে সংগীতানুষ্ঠান পৰিৱেশন কৰি সমূহ দৰ্শকক আপ্লুত কৰে। সংস্থাৰ বিহু দল 'ৰামধেনু'য়ে প্ৰদৰ্শন কৰে আকৰ্ষণীয় বিহু হুঁচৰি। জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীৰ সংগীতানুষ্ঠানে উপস্থিত সকলো দৰ্শকক সংগীতৰ সুৰত মতলীয়া কৰে। শেষত সংস্থাৰ সাধাৰণ সম্পাদক অনুজ গগৈয়ে অনুষ্ঠানটিত উপস্থিত সমূহ দৰ্শক তথা অনুষ্ঠানটি সফলভাৱে আয়োজন কৰাত সহায় কৰা ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানক কৃতজ্ঞতা জ্ঞাপন কৰি অহাবৰ্ষত এইবাৰতকৈও বিশাল পৰিসৰত আয়োজন কৰাৰ পোষকতা কৰে। এই অনুষ্ঠানতেই বংগ আৰু অসমৰ ভালেকেইজন বিশিষ্ট ব্যক্তিকো সম্বৰ্ধনা জনোৱা হয়।

অসমীয়া প্ৰতিদিন



## ৰঙালী বিহু-২০১৯ উদযাপন

# ঢোল-পেঁপাৰ গুমগুমনিত কঁপি উঠিল কলকাতা মহানগৰী

কলকাতা, ৫ মে ঃ সাহিত্য-সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ বংগৰ কলকাতা মহানগৰীৰ আকাশ-বতাহ পুনৰবাৰ অসমীয়া আৰু অসমী আইৰ প্ৰাণৰ ৰঙালী বিহুৰ উত্তাহত ঢোল, পেঁপা আৰু গগনাৰ সুমধুৰ শব্দৰ সহযোগে কঁপি উঠিল। দহটা গৌৰৱোজ্জ্বল বৰ্ষ অতিক্ৰম কৰা অসমীয়া ভাষা সংস্কৃতিৰ অন্যতম ধ্বজাবাহক কলকাতা অসমীয়া সাংস্কৃতিক সংস্থাৰ উদ্যোগত বিগত বৰ্ষবোৰৰ দৰে আজিও কলকাতাৰ ঢাকুৰিয়াস্থিত মধুসূদন মঞ্চত অনুষ্ঠিত হয় কলকাতা ৰঙালী বিহু-২০১৯। বিহু তথা সাংস্কৃতিক সন্ধিয়াৰ বৰ্ণিল অনুষ্ঠানটোত উপস্থিত থাকে অসম-বংগৰ সহস্ৰাধিক দৰ্শক, কেইজনো সন্মানীয় বিশিষ্ট ব্যক্তি তথা বিশিষ্ট সাংবাদিক। আজি কলকাতা ৰঙালী বিহু উদযাপন সংস্থাৰ সদস্য-সদস্যাসকলে মুকলি বিহুৰ জৰিয়তে অনুষ্ঠানৰ সকলো আমন্ত্ৰিত অতিথি তথা উপস্থিত দৰ্শকক আন্তৰিক আদৰণি জনায়। তাৰ পিছত সংস্থাৰ সদস্যাসকলে এটি সুন্দৰ সত্ৰীয়া পৰিৱেশনেৰে মঞ্চ উদ্বোধন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। পৰৱৰ্তী পৰ্যায়ত আৰু সংস্থাৰ সাধাৰণ সম্পাদক অনুজ গগৈয়ে আৰু ধৰা সাংস্কৃতিক অনুষ্ঠানটোৰ আৰম্ভণিতে সংস্থাৰ সভাপতি দীপকানন্দ ভৰালীয়ে আমন্ত্ৰিত অতিথি তথা দৰ্শক সমাজক সম্ভাষণ জনায়। অনুষ্ঠানত সংস্থাৰ বাৰ্ষিক দ্বি-ভাষিক আলোচনী সৃষ্টিৰ একাদশ সংখ্যাটি উন্মোচন কৰে সাংবাদিক, সম্পাদক জাকিৰ হুছেইনে। অনুষ্ঠানৰ মাজতে প্ৰদৰ্শিত হোৱা মণিপুৰীসকলৰ এটি মনোমোহনীয় লোকনৃত্যই সেইদৰে মুগ্ধ কৰায়। তাৰ পিছতে সংস্থাই আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট নৃত্যশিল্পী অলকানন্দ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে। কলকাতা ৰঙালী বিহুৰ মঞ্চতেই আমন্ত্ৰিত অসমৰ বিশিষ্ট সংগীত শিল্পী নৰ্থ-ইষ্ট ৰাইজাৰ্ছৰ ৰূপম ভূঞাই তেওঁৰ এটি চি ডি এলবাম 'মনৰ পেঁৰে বোৱাই' মুকলি কৰাৰ লগতে সংগীতানুষ্ঠানেৰে দৰ্শকক আপ্লুত কৰে। তাৰ পিছতেই সংস্থাৰ বিহু দলে কামাখ্যাৰ পৰা প্ৰদৰ্শন কৰে বিহু হুঁচৰি। আমন্ত্ৰিত কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীৰ সংগীতানুষ্ঠানে উপস্থিত সকলো দৰ্শকক সংগীতৰ সুৰত মতলীয়া কৰে। শেষত সংস্থাৰ সাধাৰণ সম্পাদক অনুজ গগৈয়ে অনুষ্ঠানটিত উপস্থিত সমূহ দৰ্শক তথা অনুষ্ঠানটি সফলভাৱে আয়োজন কৰাত সহায় কৰা ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানক কৃতজ্ঞতা জ্ঞাপন কৰি অহা বৰ্ষত এইবাৰতকৈ বিশাল পৰিসৰত আয়োজন কৰাৰ ঘোষণা কৰে। এই অনুষ্ঠানতে বংগ আৰু অসমৰ ভালেকেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

